# প্ৰেছ বিজ্ঞপ্তি

কাৰখানা পৰিদৰ্শকালয়ৰ এক নতুন সেৱা "চাৰ্ভিছ প্লাছ" মুকলি:

অসম চৰকাৰৰ মুখ্য কাৰখানা পৰিদৰ্শকৰ কাৰ্যালয়ত আজি বিভাগটোৰ এক নতুন অন লাইন সেৱা "চাৰ্ভিছ প্লাছ" মুকলি কৰা হয়। এই অনুষ্ঠানটোত অংশ গ্ৰহণ কৰি অসমৰ শ্ৰমিক কল্যাণ মন্ত্ৰালয়ৰ মাননীয় মন্ত্ৰী শ্ৰীযুত পল্লৱ লোচন দাসে এই চাৰ্ভিছ প্লাছ সেৱাৰ শুভ উদ্বোধন কৰে। "ডিজিটেল অসম"ৰ অধীনত ৰূপায়িত কৰা "ইজ অৱ ডুইং বিজনেছ"(EODB) ৰ উপৰি চাৰ্ভিছ প্লাছ পোৰ্টেলটোৰ যোগেদি কাৰখানা পৰিদৰ্শকালয়ৰ সমূহ সেৱা সহজে উপলব্ধ কৰিব পৰা যাব। অসমৰ শ্ৰমিক কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব শ্ৰী এম জি ভি কে ভানু, এই এ এছৰ লগতে বিভাগটোৰ আন আন উচ্চ পদস্থ বিষয়া, এন আই চি, শ্ৰম সঞ্চালকালয়, বয়লাৰ পৰিদৰ্শকালয়ৰ বিষয়ববীয়াৰ লগতে বিভিন্ন কাৰখানাৰ পৰিচালক আৰু কৰ্মচাৰী সকলেও আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে।

3/12